অসম

৭ নৱেম্বৰৰ পৰা যমুনাৰ সম্পূৰ্ণ বেদখল উচ্ছেদৰ সিদ্ধান্ত, পট্টা থকা সকলক ক্ষতিপূৰণ দি বেদখল মুক্ত কৰা হ'ব - অখিল গগৈ

শিৱসাগৰৰ ঐতিহাসিক যমুনাৰ বেদখল উচ্ছেদৰ বাবে ৭ নৱেম্বৰৰ পৰা অভিযান চলোৱাৰ সিদ্ধান্ত লৈছে জিলা প্ৰশাসনে। চৰকাৰীভাৱে আবণ্টিত ভূমিত নিৰ্মাণ থকা লোকসকলৰ ক্ষতিপূৰণৰ বাবে ১.৬ কোটি টকাৰ প্ৰস্তাৱ অসম চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে। প্ৰশাসনৰ সিদ্ধান্তৰ পাছত ৬ নৱেম্বৰৰ আটাছুৱ শিৱসাগৰ বন্ধৰ কাৰ্যসূচী বাতিল কৰা হৈছে।

প্ৰকাশ: ৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৯ আপডেট: ৪ নৱেম্বৰ ২০২৬, নিশা ৮:১৭



শিৱসাগৰ, ৪ নৱেম্বৰ, ২০২৬:

শিৱসাগৰৰ ঐতিহ্যমণ্ডিত ৰজাদিনীয়া যমুনাক বেদখলমুক্ত কৰাৰ বাবে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে জিলা প্ৰশাসনে। অহা ৭ নৱেম্বৰৰ পৰা যমুনাৰ বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলোৱা হ’ব। আনহাতে, যমুনাৰ ভূমি চৰকাৰীভাৱে আবণ্টন লাভ কৰা লোকসকলৰ নিৰ্মাণৰ বাবে ক্ষতিপূৰণ প্ৰদানৰ উদ্দেশ্যে ১.৬ কোটি টকাৰ প্ৰস্তাৱ অসম চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে বুলি জানিবলৈ দিছে বিধায়ক অখিল গগৈয়ে ।

© 2026 NewzNow

জিলা আয়ুক্তৰ কার্যালয়ত গুৰুত্বপূর্ণ বৈঠক

বুধবাৰে শিৱসাগৰ জিলা আয়ুক্তৰ কার্যালয়ত যমুনাৰ সংৰক্ষণ আৰু পুনৰুদ্ধাৰক লৈ এখন গুৰুত্বপূর্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ, জিলা আয়ুক্ত, বিভিন্ন চৰকাৰী বিভাগৰ উচ্চপদস্থ বিষয়া, সদৌ তাই আহোম ছাত্র সন্থাৰ (আটাছু) প্রতিনিধি আৰু যমুনাৰ ভূমি বেদখলৰ অভিযোগত অভিযুক্ত একাংশ লোক উপস্থিত থাকে।

বৈঠকত যমুনাৰ ভূমি বেদখলমুক্ত কৰাৰ লগতে ঐতিহাসিক জলাশয়টোৰ সংৰক্ষণ আৰু সৌন্দর্যবর্ধনৰ কাম আগবঢ়াই নিয়াৰ সন্দর্ভত আলোচনা কৰা হয়।

বৈঠকত গ্রহণ কৰা সিদ্ধান্ত অনুসৰি, অহা ৭ নৱেম্বৰৰ পৰা যমুনাৰ বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলাব জিলা প্রশাসনে। যমুনাৰ ভূমি সম্পূর্ণৰূপে বেদখলমুক্ত কৰাৰ লক্ষ্যৰে এই অভিযান আৰম্ভ কৰা হ’ব।

উল্লেখ্য যে, ঐতিহাসিক যমুনাৰ ভূমি বেদখলমুক্ত কৰাৰ দাবীত বিগত কেইবাদিনো ধৰি প্রতিবাদ অব্যাহত ৰাখিছিল আটাছুৱে। সংগঠনটোৱে যমুনাৰ পূর্বৰ সীমা সুৰক্ষিত কৰি প্রতিটো বেদখল উচ্ছেদ কৰাৰ দাবী জনাই আহিছিল।

আনহাতে, যমুনাৰ ভূমি চৰকাৰীভাৱে আবণ্টন লাভ কৰা লোকসকলৰ নির্মাণৰ বাবে ক্ষতিপূৰণ প্রদানৰ বিষয়টোও বৈঠকত আলোচনা কৰা হয়। এনে লোকসকলক ক্ষতিপূৰণ প্রদানৰ বাবে ১.৬ কোটি টকাৰ অনুমোদন বিচাৰি অসম চৰকাৰলৈ প্রস্তাৱ প্রেৰণ কৰা হৈছে বুলি বিধায়ক অখিল গগৈয়ে জানিবলৈ দিয়ে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/726/7-nowemboror-pora-jomunar-sompurn-bedokhol-ussedor-siddhant-potta-thoka-sokolok